# HOME ASSIGNMENT

## DR. B.K.B COLLEGE, PURANIGUDAM

**TOPIC :->** সত্ৰীয়া নৃত্যৰ নৱ ৰস ।

**Name :->** Jonaki Sahu.

**Class :->** B.A 3rd semester (Hons)

**Roll no :-** 0261

**Sub :-** Sattriya

**Submitted to :-** Seema Sorita Das.

# সত্ৰীয়া নৃত্যত নৱ ৰস

**নৱ ৰস:→** ৰসৰ অৰ্থ আস্বাদন। বিভাৱ, অনুভাৱ আৰু সঞ্চাৰী ভাৱৰ সংযোগত স্থায়ী ভাৱৰ আস্বাদিত অৱস্থাৰ নামেই ৰস। এই ৰস স্থায়ী ভাৱৰ পৰিপোষিত অৱস্থা, ই জাগতিক সুখ-দুখৰ ঊৰ্দ্ধত এক অনিৰ্বচনীয় আনন্দানুভূতি। উপনিষদে 'ৰসো বৈ সঃ' বুলি ৰসকেই সচ্চিদানন্দ ব্ৰহ্মৰ স্বৰূপ বুলি অভিহিত কৰিছে। বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰী ভাৱৰ সংযোগত আস্বাদিত হোৱা ৰসকেই 'ৰসনিষ্পত্তি' বোলা হয়।

নাট্যশাস্ত্ৰত ভৰতে শৃংগাৰ, করুণ, হাস্য, বীৰ, ৰৌদ্ৰ, অদ্ভুত, ভয়ানক আৰু বীভৎস নামৰ ৮ বিধ নাট্যৰসৰ উল্লেখ কৰি, পৰৱৰ্তী কালৰ আলংকাৰিকসকলে ইয়াৰ লগত শান্তৰস নামৰ আন এটি ৰসৰ সংযোজন কৰি ন টা ৰসলৈ বৃদ্ধি কৰে যাক আমি নৱ ৰস বুলি কওঁ। নৱৰস মানেই ন টা ৰসৰ সংমিশ্ৰণ।

**ৰসৰ প্ৰকাৰ আৰু সেইবোৰৰ বিষয়ে:→**

প্ৰাচীন আলংকাৰিকসকলে ৰসৰ প্ৰকাৰ নটা বুলি উল্লেখ কৰিছিল। সেইকেইটা হ'ল—

(i) আদি বা শৃংগাৰ, (ii) বীৰ, (iii) ভয়ানক, (iv) করুণ (v) বীভৎস, (vi) হাস্য, (vii) শান্ত (viii) অদ্ভুত আৰু (ix) ৰৌদ্ৰ।

সাহিত্যৰ অন্যতম বিভাগ নাটকত ৰসৰ সমাবেশ অপৰিহাৰ্য। ৰসহীন নাটক তেলে-লোণ নোহোৱা ব্যঞ্জনৰ দৰে।

তলত ৰসবোৰৰ বিষয়ে আলোচনা কৰা হ'ল —

**(i) আদি বা শৃংগাৰ ৰস :→**

আলংকাৰিকৰ ভাষাত 'শৃংগ' মানে কামোদ্ৰেক আৰু 'আৰ' মানে আগমন । গতিকে কামোদ্ৰেক হ'লে স্ত্ৰী - পুৰুষৰ যি অৱস্থা বিশেষ হয় তাকে শৃংগাৰ বোলে । সাহিত্যত এনে অৱস্থাৰ বৰ্ণনাৰ যোগেদি শৃংগাৰ ৰস প্ৰকাশ পায় । ইয়াৰ স্থায়ী ভাৱে অনুৰাগ বা ৰতি । শৃংগাৰ ৰসৰ প্ৰকাৰ দুটা - সম্ভোগ শৃংগাৰ আৰু বিপ্ৰলম্ভ শৃংগাৰ । সম্ভোগ অৱস্থাৰ বৰ্ণনাৰ দ্বাৰা যি ৰস সৃষ্টি হয় সেয়ে সম্ভোগ শৃংগাৰ ৰস । আনহাতে নায়ক - নায়িকাৰ বিয়োগ অৱস্থাৰ দ্বাৰা ৰতি ভাৱক লৈ অভিব্যক্ত বিপ্ৰলম্ভ শৃংগাৰ ৰস বিৰহ, পূৰ্বৰাগ, ঈৰ্ষা আদিৰ বাবে সৃষ্টি হয় ।

আদি বা শৃংগাৰ ৰসৰ ব্যৱহাৰ :-

শংকৰদেৱৰ ছয়খন নাটৰ ভিতৰত চাৰিখন নাট — 'কেলিগোপাল ; ৰুক্মিণীহৰণ ; পাৰিজাত হৰণ ; আৰু ৰামবিজয়'ত শৃংগাৰ ৰসাত্মক বৰ্ণনা পোৱা যায় । কেলিগোপালত গোপীসকলৰ লগত শ্ৰীকৃষ্ণৰ প্ৰেমভাৱৰ আৰু বিভিন্ন অৱস্থাৰ বৰ্ণনা নাটৰ গীতসমূহত প্ৰকাশ পাইছে । স্বাভাৱিকতে এইখন নাটত শৃংগাৰ ৰসৰ আধিক্য পৰিলক্ষিত হয় ।

**(ii) বীৰ ৰস :→**

উৎসাহমূলক কথা বা কাৰ্যৰ যোগেদি বীৰ ৰস সৃষ্টি হয় । ইয়াৰ স্থায়ী ভাৱ উৎসাহ । যুদ্ধ-বিগ্ৰহ আদিৰ ~~বৰ্ণন~~ বৰ্ণনাত এই ৰসৰ সঞ্চাৰ হয় ।

**বীৰ ৰসৰ ব্যৱহাৰ :-**

শংকৰদেৱৰ তিনিখন নাট - পাৰিজাত হৰণ; ৰুক্মিণী হৰণ; আৰু ৰামবিজয়'ত বীৰ ৰসৰ প্ৰয়োগ লক্ষ্য কৰা যায়। পাৰিজাত হৰণ 'যুদ্ধাত বীৰ ৰসৰ প্ৰধান নাট। নাটখনিৰ কেইবা ঠাইতো এই ৰসৰ প্ৰয়োগ লক্ষ্যণীয়। নৰকক বধৰ নিমিত্তে উদ্যত কৃষ্ণৰ লগত নৰকৰ যুদ্ধৰ বৰ্ণনা দিয়া হৈছে।

পাৰিজাত ফুলৰ কাৰণে ইন্দ্ৰ - উপেন্দ্ৰৰ মাজত হোৱা যুদ্ধ-ৰ বৰ্ণনাত বীৰ ৰস প্ৰকাশ পাইছে।

ৰুক্মিণীহৰণ নাটত শিশুপালৰ সহ অন্যান্য পাণিপ্ৰাৰ্থী ৰাজন্যবৰ্গৰ লগত কৃষ্ণৰ আচৰণত বীৰ ৰসৰ সঞ্চাৰ হৈছে। ৰামবিজয়'ত বীৰ ৰসৰ প্ৰচুৰ সমাবেশ লক্ষ্য কৰা যায়। তাৰকা মাৰিচ সুবাহু বধ, স্বয়ম্বৰ সভাত পাণিপ্ৰাৰ্থী ৰাজন্যবৰ্গৰ লগত হোৱা যুদ্ধৰ বৰ্ণনা আৰু অযোধ্যামুখী পথত পৰশুৰামৰ লগত হোৱা বিশ্বামিত্ৰৰ যুদ্ধৰ বৰ্ণনা আৰু পৰশুৰামৰ প্ৰতি ৰাম - লক্ষ্মণৰ বীৰসুলভ বচন আদিৰ মাজেদি ঘাইকৈ বীৰ ৰসৰ সঞ্চাৰ হৈছে।

**(iii) ভয়ানক ৰস :->**

ভীতিজনক কথা-বতৰা বা কাৰ্যৰ যোগেদি ভয়ানক ৰস সৃষ্টি হয়। ইয়াৰ স্থায়ী ভাৱ ভয়। শংকৰদেৱৰ তিনিখন নাটত ভয়ানক ৰস সঞ্চাৰ হৈছে।

**ভয়ানক ৰসৰ ব্যৱহাৰ :-** 'ৰুক্মিণীহৰণ' নাটত কৃষ্ণৰ বিপক্ষে ৰজাসকলৰ তৰ্জন - গৰ্জনত ভয় পাই ৰুক্মিণীৰ যি অৱস্থা হৈছে সেই বৰ্ণনাত কম পৰিমাণে হ'লেও ভয়ানক ৰস সৃষ্টি হৈছে। ৰামবিজয়'তো বিপক্ষীয় ৰজা আৰু পৰশুৰামৰ

আচৰণত সীতাৰ অৱস্থা ভয়ানক হৈছে। 'কালিয়দমন' নাটত কালিনাগৰ কুৰতাৰ বৰ্ণনাত এই ৰস ফুটি উঠিছে – "হাজাৰেক ফণা তুলি : কৃষ্ণক চাই ফোঁপাই : ফোঁপো চক্ষু আৰকত : বিহবাণ বোৱাৰি চেলেকত : নাকে মুখে বিষবাষ্প বৰিষয়।"

(iv) কৰুণ ৰস :-

ইষ্ট বা বাঞ্ছিত বস্তুৰ বিয়োগ আৰু অবাঞ্ছিতৰ সৈতে সংযোগ হোৱা দেখিলে কৰুণ ৰসৰ সঞ্চাৰ হয়। ইয়াৰ স্থায়ী ভাৱে শোক।

কৰুণ ৰসৰ প্ৰয়োগ বা ব্যৱহাৰ :- শংকৰদেৱৰ প্ৰায় আটাইকেইখন নাটতে কম বেছি পৰিমাণে কৰুণ ৰসৰ প্ৰয়োগ লক্ষ্য কৰা যায়।

পাৰিজাত হৰণত পাৰিজাত বাঞ্ছিতা সত্যভামাৰ সন্তাপৰ মাজেদি কৰুণ ৰসৰ প্ৰকাশ পাইছে।

(v) বীভৎস ৰস :-

জুগুপ্সাজনিত কথা-বতৰা বা কামৰ যোগেদি বীভৎস ৰসৰ সৃষ্টি হয়। ইয়াৰ স্থায়ী ভাৱ ঘৃণা [জুগুপ্সা]। শংকৰদেৱৰ নাটকেইখনত আন ৰসৰ দৰে বীভৎস ৰস প্ৰয়োগ হোৱা নাই বুলিয়েই ক'ব পাৰি।

বীভৎস ৰসৰ ব্যৱহাৰ :- বীভৎস ৰসৰ ব্যৱহাৰ প্ৰয়োগ প্ৰায় কম। যেনে কেলিগোপাল' নাটত শংখচূড়ে গোপী হৰণ কৰিবলৈ কৰা প্ৰচেষ্টা আৰু ৰুক্মিণীহৰণ; ৰামবিজয়ৰ স্বয়ম্বৰ সভাত উপস্থিত থকা ৰাজন্যবৰ্গৰ কামাতুৰ আচৰণক নাট্যকাৰে বীভৎস ভাৱনা বুলি উল্লেখ কৰিছে।

(vi) হাস্য ৰস ঃ→

বিকৃত বেশ ভূষা আৰু অস্বাভাৱিক কথা-বতৰা বা কাৰ্যৰ যোগেদি যেতিয়া হাঁহিৰ উদ্ৰেক হয় তেতিয়াই হাস্যৰস সৃষ্টি হয়। ইয়াৰ স্থায়ী ভাব হাস।

হাস্য ৰসৰ ব্যৱহাৰঃ- শংকৰদেৱৰ তেৰাৰ নাটবোৰত গহীন পৰিবেশৰ মাজে মাজে হাস্য ৰসৰ সঞ্চাৰ কৰিছে। মহাপুৰুষজনাই জনসাধাৰণৰ আনন্দ বিনোদনৰ বাবেই এনে কৰা যেন লাগে।

(vii) শান্ত ৰস ঃ-

শম বা শান্তি ভাৱজনিত কথা-বতৰা বা কাৰ্যৰ যোগেদি যি ৰস সৃষ্টি হয় সেয়ে শান্ত ৰস। ইয়াত কোনো আনন্দ বা সুখৰ কামনা নাথাকে; থাকে মাথোন সকলো বিলোপ কৰি পৰম ব্ৰহ্মত মিলিত হোৱাৰ ঐকান্তিক হেপাহ। শান্ত ৰসৰ স্থায়ী ভাব শম বা নিৰ্বেদ [বৈৰাগ্য]।

শান্ত ৰসৰ ব্যৱহাৰঃ- শংকৰদেৱৰ পাৰিজাত হৰণ, ৰামবিজয় আৰু কালিয়দমন' নাটত শান্তৰসৰ অভিব্যক্তি দেখা যায়।

যেনে- পাৰিজাত হৰণ'ত শ্ৰীকৃষ্ণৰ হাতত পৰাজিত হৈ দেৱৰাজ ইন্দ্ৰৰ গৰ্ব চূৰ্ণ হ'ল আৰু তেওঁৰ মনত পৰম বৈৰাগ্যই দেখা দিলে।

'কালিয়দমন' নাটত কালিৰ দৰ্প চূৰ্ণ হোৱাৰ পাছত কৃষ্ণক যেনেদৰে স্তুতি কৰিছে, সেই স্তুতিত শান্ত ৰস প্ৰকাশ পাইছে।

(viii) অদ্ভুত ৰস :-> সাহিত্যত যেতিয়া কোনো অসাধাৰণ ঘটনা নাইবা অলৌকিকতাৰ সন্নিৱেশ হয় তেতিয়াই অদ্ভুত ৰস সৃষ্টি হয়। ইয়াৰ স্থায়ী ভাৱ বিস্ময়।
অদ্ভুত ৰসৰ ব্যৱহাৰ :- শংকৰদেৱৰ নাটকেইখনৰ ভিতৰত 'কালিয়দমন' নাটত অদ্ভুত ৰসৰ পূৰ্ণ পৰিপোষণ দেখা যায়। শ্ৰীকৃষ্ণই কালিনাগৰ ফণাত উঠি নৃত্য কৰা আৰু বনাগ্নি পান কৰা দৃশ্যই অদ্ভুত ৰসৰ সৃষ্টি কৰিছে।

(IX) ৰৌদ্ৰ ৰস :->
ৰৌদ্ৰ ৰসৰ মূলতে আছে স্থায়ীভাৱ ক্ৰোধ। ক্ৰোধমূলক কথা-বতৰা বা কামৰ যোগেদি এই ৰস সৃষ্টি হয়।

ৰৌদ্ৰ ৰসৰ ব্যৱহাৰ :- শংকৰদেৱৰ ৰাম বিজয় নাটত অঙ্গীকাৰবদ্ধ কৰাত বিশ্বামিত্ৰ দশৰথে বিশ্বামিত্ৰৰ লগত ৰাম-লক্ষ্মণক পঠাবলৈ অস্বীকাৰ কৰাত বিশ্বামিত্ৰ অতিশয় ক্ৰোধান্বিত হৈছে আৰু ইয়াৰ যোগেদি ৰৌদ্ৰ ৰস সৃষ্টি হৈছে।

আলোচিত নৱৰসৰ উপৰিও বাৎসল্য ৰস কোনো-কোনো কোনো আলঙ্কাৰিকে নৱৰসৰ লগতে স্থান দিব খোজে। পুত্ৰ বা সন্তান আদিৰ প্ৰতি অনুৰক্তি আদি স্থায়ী ভাৱক আশ্ৰয় কৰি বাৎসল্য ৰস সৃষ্টি কৰে। এনেদৰে আমি নৱৰসৰ উল্লেখ পাওঁ।